# 2025

## ASSAMESE

( Major )

Paper : ASS4300104MJ

**( Asamor Sanskriti Adhyayan )**

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৮=৮

(ক) ভাৰতীয় কোনটো ভাষাত প্ৰথমে 'সংস্কৃতি' শব্দৰ প্ৰয়োগ হৈছিল ?

(খ) কি ধাতু নিষ্পন্ন হৈ 'কৃষ্টি' শব্দৰ গঠন হৈছে ?

(গ) জয়ন্তীয়াসকল কোনটো নৃ-গোষ্ঠীৰ অন্তৰ্গত লোক ?

(ঘ) 'বায়খো' কোনটো জনগোষ্ঠীয়ে পালন কৰা লোক-উৎসৱ ?

(ঙ) 'নাঙেলী গীত' অসমৰ কোন অঞ্চলত প্ৰচলন আছিল ?

(চ) সোণোৱাল কছাৰীসকলে পালন কৰা এটি প্ৰধান ধৰ্মীয় উৎসৱৰ নাম লিখা।

(ছ) মাজুলীৰ মুখাশিল্পক কোনে প্ৰথমতে বিশ্ব দৰবাৰলৈ উলিয়াই নিয়ে?

(জ) দ-পৰ্বতীয়াৰ শিৱ মন্দিৰটো আনুমানিক কিমান শতিকাত নিৰ্মাণ কৰা হৈছিল?

২। চমুকৈ উত্তৰ দিয়া (যি কোনো ছটা) : ২×৬=১২

(ক) কিৰাতসকল কোনটো নৃ-গোষ্ঠীৰ অন্তৰ্গত? তেওঁলোক ক'ৰ পৰা প্ৰব্ৰজিত হৈ অসমলৈ আহিছিল?

(খ) জাৰ্মান দেশৰ লোক-কথাক বুজাবলৈ প্ৰথমে Volkskunde (Folklore) পৰিভাষা ব্যৱহাৰ কৰা জাৰ্মান ভ্ৰাতৃদ্বয়ৰ নাম কি আছিল?

(গ) অসমৰ দুবিধ লোক-পৰিৱেশ্য কলাৰ নাম লিখা।

(ঘ) অসমৰ দুটা মাতৃসূত্ৰীয় জনগোষ্ঠীৰ নাম লিখা।

(ঙ) অসমীয়া হস্তশিল্পৰ দুটা উদাহৰণ দিয়া।

(চ) ভাৰতীয় সংবিধানে স্বীকৃতি প্ৰদান কৰা অসমৰ জনজাতিসকলৰ ভাগ দুটা কি কি?

(ছ) খেৰাই কোন জনগোষ্ঠীৰ উৎসৱ? কিহৰ প্ৰতীকী ৰূপত এই উৎসৱ পালন কৰা হয়?





(জ) মিচিং মহিলাই ব্যৱহাৰ কৰা এবিধ আৰু পুৰুষে ব্যৱহাৰ কৰা এবিধ সাজ-পাৰৰ নাম লিখা।

(ঝ) 'সংগীত নাটক একাডেমি'ৰ দ্বাৰা স্বীকৃতি-প্ৰাপ্ত দুবিধ শাস্ত্ৰীয় নৃত্যৰ নাম লিখা।

(ঞ) দেৱদাসী নৃত্য পৰম্পৰাৰ প্ৰচলন থকা অসমৰ দুটা প্ৰচীন মন্দিৰৰ উদাহৰণ দিয়া।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) সমাজ আৰু সংস্কৃতিৰ সম্পৰ্ক

(খ) আহোম যুগৰ স্থাপত্য

(গ) অসমীয়া ভক্তিমূলক লোকগীত

(ঘ) মৃত্যুৰ সৈতে জড়িত অসমীয়া লোকাচাৰ

(ঙ) কাৰ্বি জনগোষ্ঠীৰ খাদ্যাভ্যাস

(চ) হাইদাং গীত আৰু বগেজাৰী গীতৰ তুলনা

(ছ) মাটি-আখৰা

(জ) অসমত ব্যাস সংগীতৰ পৰম্পৰা

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×২=২০

(ক) সংস্কৃতিৰ এটা গ্ৰহণযোগ্য সংজ্ঞা দাঙি ধৰি অসমীয়া সংস্কৃতিৰ সমন্বয় সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(খ) কৃষিভিত্তিক উৎসৱ কি, আলোচনা কৰি অসমত পালিত যি কোনো দুটা কৃষিভিত্তিক উৎসৱৰ বিষয়ে চমুকৈ লিখা।

(গ) অসমৰ ধৰ্মীয় পৰম্পৰাৰ আভাস দি শৈৱ ধৰ্মীয় অথবা বৈষ্ণৱ ধৰ্মীয় পৰম্পৰা সম্পৰ্কে বিতংকৈ লিখা।

(ঘ) জনজাতীয় আৰু মাৰ্গীয় সংস্কৃতিৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি দুয়োটাৰ মাজৰ সম্পৰ্ক বিচাৰ কৰা।

(ঙ) সত্ৰীয়া সংস্কৃতি বুলিলে কি বুজা? সত্ৰীয়া সংস্কৃতিৰ উপাদান সম্পৰ্কে চমুকৈ আলোচনা কৰা।

★★★

**2025**

ASSAMESE

( Major )

Paper : ASS4300204MJ

( অসমীয়া চুটিগল্প আৰু উপন্যাস )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। তলৰ প্ৰশ্নসমূহৰ অতি চমুকৈ উত্তৰ লিখা : ১×৮=৮

(ক) ‘আৱাহন’ আলোচনীখন প্ৰথম কাৰ সম্পাদনাত প্ৰকাশ পাইছিল ?

(খ) ‘কাঠনিবাৰীৰ ঘাট’ গল্পটোৰ গল্পকাৰৰ নাম কি ?

(গ) ‘সুধৰ্মাৰ উপাখ্যান’ নামৰ উপন্যাসধৰ্মী গ্ৰন্থখনৰ ৰচক কোন ?

(ঘ) বিৰিঞ্চিকুমাৰ বৰুৱাই ছদ্মনামত ৰচনা কৰা এখন উপন্যাসৰ নাম লিখা।

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰথম চুটিগল্প সংকলনখনৰ নাম কি ?

(চ) হোমেন বৰগোহাঞিৰ 'হাতী' গল্পটোত উল্লেখ থকা হাতীটোৰ নাম কি ?

(ছ) মামণি ৰয়চম গোস্বামীৰ 'চেনাবৰ সোঁত' উপন্যাসখন প্ৰথম কোন চনত প্ৰকাশ হৈছিল ?

(জ) 'ডাৱৰ আৰু নাই উপন্যাস'ৰ কোনটো চৰিত্ৰই চাকৰি এৰি যুদ্ধত ঠিকাৰে প্ৰচুৰ ধন উপাৰ্জন কৰে ?

২। তলৰ প্ৰশ্নসমূহৰ যি কোনো ছয়টাৰ চমুকৈ উত্তৰ লিখা : ২×৬=১২

(ক) কোন শতিকাৰ, কোন দশকত অসমীয়া চুটিগল্পৰ জন্ম হৈছিল ?

(খ) শৰৎচন্দ্ৰ গোস্বামীৰ দুখন গল্পপুথিৰ নাম লিখা।

(গ) লক্ষ্মীধৰ শৰ্মা আৰু বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য অসমীয়া গল্প-সাহিত্যৰ কোন কোন যুগৰ গল্পকাৰ ?

(ঘ) ৰজনীকান্ত বৰদলৈ ৰচিত দুখন ঐতিহাসিক উপন্যাসৰ নাম লিখা।

(ঙ) দুখন অসমীয়া আঞ্চলিক উপন্যাসৰ নাম উল্লেখ কৰা।

(চ) লক্ষ্মীনাথ ফুকনে কোনখন গ্ৰন্থৰ বাবে, কোন চনত সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল ?

(ছ) 'মুক্তি' গল্পটোত উল্লেখ থকা এটা প্ৰধান চৰিত্ৰ সুকুমাৰৰ ককায়েকৰ নাম আৰু বৃত্তি উল্লেখ কৰা।





(জ) "নতুনৰ শোভাযাত্ৰাত ঠাই নোপোৱা, প্ৰাচীন হৈ যাব ধৰা পৃথিৱীৰ দুটা অথৰ্ব প্ৰতিনিধি।" 'হাতী' গল্পটোত উল্লেখ থকা এই অথৰ্ব প্ৰতিনিধি দুটা কোন কোন ?

(ঝ) 'ডাৱৰ আৰু নাই' উপন্যাসত চিত্ৰিত গেৰেলা কোন ? পাছত তেওঁ কি নামেৰে পৰিচিত হৈছিল ?

(ঞ) অসমৰ বাহিৰৰ পটভূমিক কেন্দ্ৰ কৰি ৰচনা কৰা মামণি ৰয়চম গোস্বামীৰ দুখন উপন্যাসৰ নাম লিখা।

৩। তলত দিয়াবোৰৰ যি কোনো চাৰিটাৰ চমু টোকা লিখা : ৫×৪=২০

(ক) জোনাকী যুগৰ চুটিগল্পৰ বৈশিষ্ট্য

(খ) ত্ৰৈলোক্যনাথ গোস্বামীৰ গল্পৰ বৈশিষ্ট্য

(গ) অসমীয়া জীৱনীমূলক উপন্যাস

(ঘ) উত্তৰকালীন অসমীয়া উপন্যাস

(ঙ) হোমেন বৰগোহাঞিৰ গল্পত বিষয়বস্তুৰ বৈচিত্ৰ্য

(চ) লক্ষ্মীনাথ ফুকনৰ গল্পত ফ্ৰয়েডীয় মনস্তত্ত্ব

(ছ) যোগেশ দাসৰ 'ডাৱৰ আৰু নাই' উপন্যাসৰ অনুপমা চৰিত্ৰটোৰ বিশ্লেষণ

(জ) 'চেনাবৰ সোঁত' উপন্যাসৰ সদাশিৱ চৰিত্ৰটোৰ চাৰিত্ৰিক বিশেষত্ব

৪। তলৰ প্ৰশ্নসমূহৰ যি কোনো দুটাৰ উত্তৰ লি...

(ক) অসমীয়া চুটিগল্পৰ উদ্ভৱ আৰু ক্ৰমবিকাশ সম্পৰ্কে এ... আলোচনা যুগুত কৰা।

(খ) যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাসৰ গতি-প্ৰকৃতি সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(গ) লক্ষ্মীনাথ বেজবৰুৱা ৰচিত 'মুক্তি' গল্পটোৰ মাজেৰে কঠোৰ অনুশাসনৰ পৰিণতি কেনেদৰে দেখুওৱা হৈছে, আলোচনা কৰা।

(ঘ) হোমেন বৰগোহাঞিৰ 'হাতী' গল্পটোত প্ৰজন্মৰ ব্যৱধান কেনেদৰে চিত্ৰিত হৈছে, আলোচনা কৰা।

(ঙ) 'ডাৱৰ আৰু নাই' উপন্যাসত দ্বিতীয় বিশ্বযুদ্ধই অসমীয়া সমাজ-জীৱন কলুষিত কৰাৰ চিত্ৰ কেনেদৰে প্ৰকাশ পাইছে, ফঁহিয়াই দেখুওৱা।

★★★

Total number of printed pages–4

**1 (Sem–3/Ar) ASS**

**2025**

# ASSAMESE

(Major/Minor)

Paper : ASS0300104

**( অসমৰ সংস্কৃতি অধ্যয়ন )**

*Full Marks : 60*

Time : 2½ hours

***The figures in the margin indicate full marks for the questions.***

১। অতি চমু উত্তৰ লিখা ঃ ১×৮=৮

(ক) ইংৰাজী CULTURE শব্দটো কি ভাষাৰ পৰা ব্যুৎপত্তি লাভ কৰিছে ?

(খ) সংস্কৃতিৰ *এটা* উপাদানৰ নাম লিখা।

(গ) 'ৰান্‌গালা' কি জনগোষ্ঠীৰ লোকনৃত্য ?

(ঘ) 'ধাইনাম'ক আন কি নামেৰে জনা যায় ?

*Total number of printed pages–4*

**1 (Sem–3/Ar) ASS**

**2025**

# ASSAMESE

(Major/Minor)

Paper : ASS0300104

**( অসমৰ সংস্কৃতি অধ্যয়ন )**

*Full Marks : 60*

Time : 2½ hours

***The figures in the margin indicate full marks for the questions.***

১। অতি চমু উত্তৰ লিখা ঃ ১×৮=৮

(ক) ইংৰাজী CULTURE শব্দটো কি ভাষাৰ পৰা ব্যুৎপত্তি লাভ কৰিছে ?

(খ) সংস্কৃতিৰ *এটা* উপাদানৰ নাম লিখা।

(গ) 'ৰান্‌গালা' কি জনগোষ্ঠীৰ লোকনৃত্য ?

(ঘ) 'ধাইনাম'ক আন কি নামেৰে জনা যায় ?

B13F0 0001 *Contd.*

(ঙ) 'কুশান গান' অসমৰ কোন অঞ্চলত প্ৰচলিত লোক নাট্যানুষ্ঠান ?

(চ) অসমৰ শাস্ত্ৰীয় বা ধ্ৰুপদী নৃত্যবিধৰ নাম লিখা।

(ছ) ড° বাণীকান্ত কাকতিয়ে বৰগীতক কি বুলি আখ্যায়িত কৰিছে ?

(জ) বড়ো তিৰোতাই পৰিধান কৰা পৰম্পৰাগত সাজযোৰৰ নাম কি ?

২। তলৰ *যিকোনো ছটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ২×৬=১২

(ক) লোক-সংস্কৃতিৰ *দুটা* বৈশিষ্ট্য লিখা।

(খ) অসমৰ *এটা* পিতৃকেন্দ্ৰিক আৰু এটা মাতৃকেন্দ্ৰিক জনগোষ্ঠীৰ নাম লিখা।

(গ) 'বৰত উৎসৱ' অসমৰ কোনটো জনগোষ্ঠীয়ে পালন কৰে ? এই উৎসৱ কেইবছৰৰ মূৰে মূৰে অনুষ্ঠিত কৰা হয় ?

(ঘ) অসমত বাস কৰা *দুটা* মঙ্গোলীয় জনগোষ্ঠীৰ নাম লিখা।

(ঙ) 'কণীযুঁজ' কি ? এই যুঁজ কেতিয়া অনুষ্ঠিত হয় ?

(চ) কৃষিৰ লগত জড়িত *দুটা* পৰম্পৰাগত সঁজুলিৰ নাম লিখা।

(ছ) অসমৰ *দুখন* পুথিচিত্ৰৰ নাম লিখা।



(জ) অসমৰ ৰাভা জনগোষ্ঠীৰ *যিকোনো দুটা* ফৈদৰ নাম লিখা।

(ঝ) আহোম যুগৰ *যিকোনো দুটা* ভাস্কৰ্যৰ নাম লিখা।

(ঞ) ব্যাসসঙ্গীত কি ?

৩। তলৰ *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ৫×৪=২০

(ক) কৃতি, কৃষ্টি আৰু সংস্কৃতিৰ মাজৰ সম্পৰ্ক কেনে ধৰণৰ চমুকৈ লিখা।

(খ) 'অসমৰ মুখাশিল্প' সম্পৰ্কে চমু টোকা লিখা।

(গ) দেৱদাসী নৃত্য সম্পৰ্কে চমুৱাই লিখা।

(ঘ) অসমীয়া সংস্কৃতিলৈ চাহ জনগোষ্ঠীয় লোকৰ অৱদান সম্পৰ্কে লিখা।

(ঙ) অসমত প্ৰচলিত শৈৱ ধৰ্ম-ধাৰা সম্পৰ্কে চমুকৈ লিখা।

(চ) অসমীয়া সংস্কৃতিত গামোছাৰ স্থান সম্পৰ্কে লিখা।

(ছ) অসমৰ সত্ৰীয়া নৃত্যৰ স্ৰষ্টা কোন? সত্ৰীয়া নৃত্যৰ বৈশিষ্ট্য সম্পৰ্কে লিখা।

(জ) অসমৰ লোকচিকিৎসা সম্পৰ্কে চমুকৈ আলোচনা কৰা।

৪। তলত দিয়া *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×২=২০

(ক) লোক-সংস্কৃতিৰ সংজ্ঞা দাঙি ধৰি ইয়াৰ প্ৰধান ভাগসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(খ) 'অসমৰ জাতি গঠন প্ৰক্ৰিয়া' সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰা।

(গ) 'অসমীয়া সংস্কৃতিলৈ মুছলমানৰ অৱদান'—শীৰ্ষক এটি প্ৰবন্ধ যুগুত কৰা।

(ঘ) পুতলা নাচ সম্পৰ্কে বহলাই আলোচনা কৰা।

(ঙ) নামঘৰ আৰু সত্ৰসমূহে অসমৰ সাংস্কৃতিক সমন্বয় সাধনত কেনে ধৰণৰ ভূমিকা গ্ৰহণ কৰিছে বুজাই লিখা।

# 2025

## ASSAMESE

### ( Minor )

Paper : ASS4300104MN

( অসমৰ সংস্কৃতি অধ্যয়ন )

( Set–A )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। তলৰ প্ৰশ্নবোৰৰ অতি চমুকৈ উত্তৰ লিখা : ১×৮=৮

(ক) 'কৃষ্টি' শব্দটো কোন ধাতুৰ পৰা উৎপন্ন হৈছে?

(খ) টাই-আহোমসকলৰ কোন শতিকাত অসমলৈ প্ৰব্ৰজন ঘটিছিল?

(গ) মহম্মদ তাহেৰে অসমলৈ বিভিন্ন প্ৰজাতিৰ মানুহৰ প্ৰব্ৰজনসমূহক কেইটা ভাগত ভাগ কৰি দেখুৱাইছে?

(ঘ) অনুষ্ঠানমূলক লোকগীতসমূহক কিমানটা শ্ৰেণীত ভাগ কৰিব পাৰি?

(ঙ) 'লাঙামাবা' শব্দৰে কোনগৰাকী আবাধ্য দেৱতাক বুজোৱা হৈছে ?

(চ) 'বুলবুলি যুঁজ' কোন অঞ্চলত প্ৰচলিত ?

(ছ) 'কুশান গান' কি ?

(জ) ব্যাস সংগীতৰ পৰম্পৰা অসমৰ কোন অঞ্চলত প্ৰচলিত ?

২। তলৰ যি কোনো ছয়টা প্ৰশ্নৰ চমুকৈ উত্তৰ লিখা : ২×৬=১২

(ক) *Primitive Culture* গ্ৰন্থখন কি বিষয়ক গ্ৰন্থ ? ইয়াৰ লেখক কোন ?

(খ) অভিজাত সংস্কৃতি বুজাবলৈ অসমীয়া ভাষাত ব্যৱহৃত দুটা সমাৰ্থক শব্দ লিখা।

(গ) 'কালিকা পুৰাণ'ত দেৱীৰ কেইটা ৰূপ পোৱা যায় ? সেই ৰূপবোৰ কি কি ?

(ঘ) 'চকলং' কি ? কোন জনগোষ্ঠীৰ মাজত প্ৰচলন হয় ?

(ঙ) লোক-চিকিৎসা প্ৰদানত ব্যৱহৃত দুবিধ মন্ত্ৰ উল্লেখ কৰা।

(চ) 'Puppetry' শব্দটো ক'ৰ পৰা সৃষ্টি হৈছে আৰু ইয়াৰ অৰ্থ কি ?

(ছ) শিপিনীসকলে কেইপ্ৰকাৰৰ তাঁত-শাল ব্যৱহাৰ কৰে আৰু সেইবোৰ কি কি ?





(জ) সোণোৱাল-কছাৰীসকলৰ সমাজব্যৱস্থা মতে অতীজত তেওঁলোকৰ মাজত কেইটা খেল আৰু কিমানটা বংশ আছিল ?

(ঝ) সত্ৰীয়া নৃত্যত থকা অভিনয়ৰ প্ৰকাৰবোৰ কি কি ?

(ঞ) গুৰু বন্দনা বুলিলে কি বুজা ?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) জনজাতীয় সংস্কৃতিৰ বিষয়ে এটি আভাস দিয়া।

(খ) নৰ্ডিকসকলৰ বিষয়ে এটি টোকা যুগুত কৰা।

(গ) বনগীতৰ বিষয়ে আলোচনা কৰা।

(ঘ) 'ওৱাংগালা' কোন জনগোষ্ঠীৰ লোক-উৎসৱ ? উৎসৱটোৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(ঙ) নাথ-যোগীসকলৰ মাজত প্ৰচলিত মৃত্যু-সম্পৰ্কীয় লোকাচাৰৰ বিষয়ে লিখা।

(চ) অসমৰ লোক-সমাজত প্ৰচলিত অৱসৰ বিনোদনধৰ্মী খেল-ধেমালিবোৰৰ বিষয়ে আলোচনা কৰা।

(ছ) চ'মাংকান কি ? চ'মাংকানৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

(জ) অসমৰ চিত্ৰকলা সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) লোক-সংস্কৃতিৰ উপাদানসমূহৰ বিষয়ে বহলাই আলোচনা কৰা।

(খ) বিহুগীত প্ৰধানকৈ কেইপ্ৰকাৰৰ আৰু কি কি? এটি নিবন্ধ যুগুত কৰা।

(গ) অসমীয়া সংস্কৃতিৰ উপাদান সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ঘ) বড়ো জনগোষ্ঠীৰ এটি নৃ-গোষ্ঠীয় পৰিচয় দাঙি ধৰা।

(ঙ) সত্ৰীয়া সংস্কৃতিত মুখাশিল্প সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

★★★

# 2025

## ASSAMESE

## ( Minor )

Paper : ASS4300204MN

( অসমীয়া চুটিগল্প আৰু উপন্যাস )

( Set—A )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰশ্নসমূহৰ অতি চমুকৈ উত্তৰ লিখা : ১×৮=৮

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰয়াণৰ পাছত প্ৰকাশ পোৱা গল্প সংকলনটিৰ নাম কি?

(খ) 'ৰামধেনু' আলোচনীখনৰ প্ৰথমগৰাকী সম্পাদকৰ নাম লিখা।

(গ) লক্ষ্মীনাথ ফুকনৰ এখন গল্পপুথিৰ নাম লিখা।

(ঘ) হোমেন বৰগোহাঞিৰ 'হাতী' নামৰ গল্পটিত বলোৰাম মেধিয়ে মৰমতে হাতীটোৰ কি নাম ৰাখিছিল?

(ঙ) পদ্মনাথ গোহাঞিবৰুৱা ৰচিত 'ভানুমতী' উপন্যাসখন কোনখন কাকতত প্ৰথম প্ৰকাশ পাইছিল?

(চ) 'গঙা চিলনীৰ পাখি' নামৰ উপন্যাসখনৰ ঔপন্যাসিক কোন?

(ছ) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই কোনখন উপন্যাসৰ বাবে সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল?

(জ) 'ডাবৰ আৰু নাই' উপন্যাসৰ গিৰীনক পূৰ্বতে গাঁৱৰ মানুহে কি নামেৰে মাতিছিল?

২। তলৰ যি কোনো ছয়টা প্ৰশ্নৰ চমুকৈ উত্তৰ লিখা : ২×৬=১২

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ পুথি আকাৰে প্ৰকাশ পোৱা প্ৰথম গল্পপুথিখনৰ নাম কি? এইখন কিমান চনত প্ৰথম প্ৰকাশ পাইছিল?

(খ) লক্ষ্মীধৰ শৰ্মাৰ একমাত্ৰ গল্পপুথিখনৰ নামটো লিখা। পুথিখনৰ প্ৰথম প্ৰকাশৰ চনটো লিখা।

(গ) যোগেশ দাসৰ দুখন গল্পপুথিৰ নাম লিখা।

(ঘ) অসমীয়া গল্প সাহিত্যত সৌৰভ কুমাৰ চলিহা আৰু শীলভদ্ৰ নামেৰে পৰিচিত গল্পকাৰ দুগৰাকীৰ প্ৰকৃত নাম কি?

(ঙ) লক্ষ্মীনাথ ফুকনৰ 'মেথি' গল্পৰ মেথিৰ প্ৰকৃত নাম কি আছিল? তেওঁ কোন সত্ৰৰ মেথি বাব পাইছিল?

(চ) 'বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী' আৰু 'সুধৰ্মাৰ উপাখ্যান' নামৰ উপন্যাসধৰ্মী গ্ৰন্থ দুখনৰ ৰচক দুগৰাকীৰ নাম লিখা।





(ছ) দুখন অসমীয়া জনগোষ্ঠীয় জীৱনভিত্তিক উপন্যাসৰ নাম লিখা।

(জ) 'অভিযাত্ৰী' নামৰ উপন্যাসখনৰ ঔপন্যাসিক কোন? এইখন উপন্যাসত কোন মহীয়সী নাৰীৰ জীৱনবৃত্ত প্ৰকাশ পাইছে?

(ঝ) 'চেনাবৰ সোঁত' উপন্যাসৰ উপৰিও মামনি ৰয়ছম গোস্বামীয়ে ৰচনা কৰা অইন দুখন উপন্যাসৰ নাম লিখা।

(ঞ) অসমীয়া উপন্যাসৰ আধাৰত নিৰ্মাণ হোৱা দুখন চলচ্চিত্ৰৰ নাম লিখা।

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্পৰ বিষয়বস্তু সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(খ) ৰামধেনু যুগৰ গল্পত সমাজ-চেতনা সম্পৰ্কে আলোচনা কৰা।

(গ) হোমেন বৰগোহাঞিৰ গল্প সম্পৰ্কে আলোচনা কৰা।

(ঘ) 'মুক্তি' গল্পটোত সুকুমাৰৰ প্ৰকৃতিৰ লগত থকা আত্মিক সম্পৰ্ক কিদৰে ফুটি উঠিছে, বৰ্ণনা কৰা।

(ঙ) 'হাতী' গল্পটোত বলোৱামে তেওঁৰ অতিকৈ প্ৰিয় হাতীটোৰ ব্যৱস্থা কি কৰিলে, লিখা।

(চ) 'মেথি' চৰিত্ৰটোৰ এটি বিশ্লেষণাত্মক আলোচনা আগবঢ়োৱা।

(ছ) 'ডাবৰ আৰু নাই' উপন্যাসৰ নামটোৰ তাৎপৰ্য বিশ্লেষণ কৰা।

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাস সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(খ) অসমীয়া চুটিগল্পৰ গতি-প্ৰকৃতি সম্পৰ্কে আলোচনা কৰা।

(গ) 'হাতী' গল্পটোত দুটা প্ৰজন্মৰ মাজত থকা চিন্তাচৰ্চা, মানসিকতা আদিৰ ব্যৱধান কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

(ঘ) 'ডাৱৰ আৰু নাই' উপন্যাসখনত দ্বিতীয় বিশ্বযুদ্ধই সৃষ্টি কৰা সামাজিক, নৈতিক আদি মূল্যবোধৰ অৱক্ষয়ৰ কথা কিদৰে চিত্ৰিত হৈছে, লিখা।

(ঙ) 'চেনাবৰ সোঁত' উপন্যাসখনত শ্ৰমিকসকলৰ ওপৰত কৰা শোষণ আৰু নিষ্পেষণৰ চিত্ৰ কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

★★★

**2025**

ASSAMESE

( Minor )

Paper Code : ASS4300204MN

( অসমীয়া চুটিগল্প আৰু উপন্যাস )

( Set–B )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰশ্নবোৰৰ অতি চমুকৈ উত্তৰ দিয়া : ১×৮=৮

(ক) অসমীয়া সাহিত্যত চুটিগল্পৰ জনক বুলি কাক কোৱা হয়?

(খ) বেজবৰুৱাৰ 'মুক্তি' গল্পটো কোনখন গল্পপুথিৰ পৰা লোৱা হৈছে?

(গ) লক্ষ্মীনাথ ফুকনৰ 'মেথি' গল্পত মেথিৰ আচল নাম কি?

(ঘ) হোমেন বৰগোহাঞিৰ 'হাতী' গল্পৰ মাউতজনৰ নাম লিখা।

(ঙ) ঊনবিংশ শতিকাত ৰচিত উপন্যাসধৰ্মী ৰচনা 'বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী'ৰ ৰচক কোন?

(চ) অসমীয়া সাহিত্যত কাক 'উপন্যাস সম্রাট' বুলি অভিহিত কৰা হৈছে?

(ছ) চন্দ্রপ্রসাদ শইকীয়াই ৰচনা কৰা 'তোৰে মোৰে আলোকৰে যাত্ৰা' কাৰ জীৱন-আধাৰিত উপন্যাস?

(জ) মামণি ৰয়চম গোস্বামীৰ 'চেনাবৰ সোঁত' উপন্যাসখন কিমান চনত প্ৰকাশ পাইছিল?

২। তলৰ যি কোনো ছটা প্ৰশ্নৰ চমু উত্তৰ লিখা : ২×৬=১২

(ক) চুটিগল্পৰ দুটা বৈশিষ্ট্য লিখা।

(খ) বেজবৰুৱাৰ যি কোনো দুখন গল্পপুথিৰ নাম লিখা।

(গ) দৰা যাবৰ বাবে বলোৰাম বুঢ়াই বাপধনক কেনেদৰে সজাইছিল?

(ঘ) হোমেন বৰগোহাঞিৰ গল্পৰ যি কোনো দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঙ) বলোৰাম কোন? তেওঁ কেনেকৈ মেথি নাম পাইছিল?

(চ) যোগেশ দাসে কোনখন গ্ৰন্থৰ বাবে আৰু কিমান চনত সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

(ছ) 'ৰংমিলিৰ হাঁহি' উপন্যাসখনৰ ৰচক কোন? উপন্যাসখন অসমৰ কোন জনজাতিৰ জীৱনৰ পটভূমিত ৰচিত?

(জ) 'চেনাবৰ সোঁত' উপন্যাসৰ মুখ্য নাৰী চৰিত্ৰটোৰ নাম কি? তেওঁ কি উপায়েৰে জীৱন নিৰ্বাহ কৰিছিল?





(ঝ) ভীম কোন? তেওঁ কাৰ প্ৰেমত পৰিছিল?

(ঞ) 'ডাৱৰ আৰু নাই' উপন্যাসখনৰ প্ৰথম সংস্কৰণ কোন চনত প্ৰকাশ হৈছিল? উপন্যাসখনৰ আদৰ্শ চৰিত্ৰটোৰ নাম লিখা।

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) আৱাহন যুগৰ অসমীয়া চুটিগল্পৰ বৈশিষ্ট্য লিখা।

(খ) চৈয়দ আব্দুল মালিকৰ গল্পৰ বিশেষত্ব আলোচনা কৰা।

(গ) 'মেথি' গল্পৰ অৱনীধৰ বৰঠাকুৰ কোন? গল্পটোত চৰিত্ৰটোৱে কি ভূমিকা পালন কৰিছে?

(ঘ) "সি কেৱল এটা হাতী নহয়, কেৱল এটা অভিজাত বাহনো নহয়, সি যে তেওঁৰ জীৱনৰ সাফল্যৰ প্ৰতীক।" কথাখিনিৰ তাৎপৰ্য বিচাৰ কৰা।

(ঙ) ঐতিহাসিক অসমীয়া উপন্যাস সম্পৰ্কে এটা টোকা লিখা।

(চ) 'ডাৱৰ আৰু নাই' উপন্যাসৰ অনুপমা চৰিত্ৰটো চমুকৈ বিশ্লেষণ কৰা।

(ছ) 'চেনাবৰ সোঁত' উপন্যাসখনৰ কাহিনীভাগ তোমাৰ নিজৰ ভাষাৰে চমুকৈ লিখা।

(জ) বীণা বৰুৱাৰ যি কোনো এখন উপন্যাসৰ বিষয়ে চমুকৈ আলোচনা কৰা।

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) 'অসমীয়া উপন্যাসৰ উদ্ভৱ আৰু বিকাশৰ ধাৰা' শীৰ্ষক এটি প্ৰবন্ধ যুগুত কৰা।

(খ) লক্ষ্মীনাথ ফুকনৰ 'মেথি' গল্পৰ মেথি চৰিত্ৰটো বিশ্লেষণ কৰা।

(গ) হোমেন বৰগোহাঞিৰ 'হাতী' গল্পটিত মূল্যবোধৰ অৱক্ষয়ৰ চিত্ৰ কিদৰে অঙ্কিত হৈছে, আলোচনা কৰা।

(ঘ) দ্বিতীয় বিশ্বযুদ্ধই সমসাময়িক অসমীয়া সমাজখনক কেনে-ধৰণেৰে প্ৰভাৱিত কৰিছিল, 'ডাৱৰ আৰু নাই' উপন্যাসৰ আলমত আলোচনা কৰা।

(ঙ) মামণি ৰয়চম গোস্বামীৰ উপন্যাসত মানৱতাবাদী ভাবধাৰা কিদৰে প্ৰকাশ পাইছে, 'চেনাবৰ সোঁত' উপন্যাসৰ আধাৰত বিশ্লেষণ কৰা।

★★★